# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

নংঃ ১৫৪/২০২০

## ডিমা হাছাও জিলাৰ কৰ'না ভাইৰাছ সংক্ৰমণ প্ৰতিৰোধৰ ব্যৱস্থাৱলী পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে
## ১৪ এপ্ৰিললৈ আমি সকলোৱে ঐক্যবদ্ধভাৱে লক্-ডাউনৰ কাৰ্যসূচী পালন কৰিব লাগিব ঃ মুখ্যমন্ত্ৰী
## পশ্চিম কাৰ্বি আংলং জিলাৰ কোৱাৰেইনটাইন কেন্দ্ৰ পৰিদৰ্শন কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ০৪ এপ্ৰিল ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি কৰ'না ভাইৰাছ সংক্ৰমণ ৰোধ কৰাৰ বাবে ডিমা হাছাও জিলা প্ৰশাসন আৰু স্বাস্থ্য বিভাগে গ্ৰহণ কৰা পদক্ষেপ সমূহ পৰ্যালোচনা আৰু প্ৰত্যক্ষ কৰাৰ বাবে হাফলং অসামৰিক চিকিৎসালয় পৰিদৰ্শন কৰাৰ উপৰি জিলাখনৰ বিভিন্ন বিভাগৰ শীৰ্ষৰ বিষয়াসকলৰ সৈতে পৰ্যালোচনামূলক বৈঠকত মিলিত হয়। মুখ্যমন্ত্ৰীয়ে ডিমা হাছাও জিলাৰ হাফলং অসামৰিক চিকিৎসালয়ৰ আছুতীয়া কক্ষৰ উপৰি অন্যান্য ব্যৱস্থাৰাজিৰো বুজ লয়।

ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে ডিমা হাছাও জিলাৰ আৱৰ্ত্ত ভৱনৰ সভাকক্ষত অনুষ্ঠিত এক বৈঠকত অংশ গ্ৰহণ কৰে। বৈঠকত জিলা উপায়ুক্তগৰাকীয়ে জৰুৰী সেৱা অব্যাহত ৰখা, নিত্য প্ৰয়োজনীয় সামগ্ৰীৰ যোগান ব্যৱস্থা, হ'ম কোৱাৰেনটাইনত থকা লোকৰ পৰিসংখ্যাকে ধৰি গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ বিষয়ে মুখ্যমন্ত্ৰীক অৱগত কৰে। ডিমা হাছাও পাহাৰীয়া জিলা হোৱা বাবে ইয়াৰ জনসাধাৰণে যাতে নিত্য প্ৰয়োজনীয় সামগ্ৰী লাভ কৰাৰ ক্ষেত্ৰত কোনো অসুবিধা নহয়, সেই দিশত দৃঢ়তাৰে ব্যৱস্থা ল'বলৈ খাদ্য আৰু অসামৰিক যোগান বিভাগক মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। লক্-ডাউন কাৰ্যসূচী জিলাখনত যাতে সম্পূৰ্ণৰূপে অহা ১৪ এপ্ৰিললৈ পালন কৰা হয়, সেই দিশটো তীক্ষ্ণ দৃষ্টি ৰাখিবলৈ উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকক মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। সভাত মুখ্যমন্ত্ৰীয়ে প্ৰতিটো বিভাগে গ্ৰহণ কৰা পদক্ষেপ সমূহৰো পৰ্যালোচনা কৰে।

আজিৰ এই বৈঠকত বিধায়ক বীৰভদ্ৰ হাগজেৰ, উত্তৰ কাছাৰ পাৰ্বত্য জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দেবুলাল গাৰ্লোছা, স্বাস্থ্য বিভাগৰ দায়িত্বত থকা কাৰ্যবাহী সদস্য ছেমুৱেল চাংছ্ন, খাদ্য আৰু অসামৰিক যোগান বিভাগৰ দায়িত্বত থকা কাৰ্যবাহী সদস্য এন মাৰ, শিক্ষা বিভাগৰ দায়িত্বত থকা কাৰ্যবাহী সদস্য এন গাৰ্লোছা, উপায়ুক্ত অমিতাভ ৰাজখোৱা, আৰক্ষী অধীক্ষক বীৰ বিক্ৰম গগৈ আৰু অন্যান্য উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে।

ইয়াৰ পিছতে সাংবাদিকৰ সৈতে হোৱা কথোপকথনত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে ক'ভিড-১৯ ৰ বিৰুদ্ধে যুঁজ দিয়াৰ বাবে আমি সকলোৱে ঐক্যবদ্ধ হৈছো। মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২১ দিনীয়া লক্-ডাউনৰ কাৰ্যসূচী নিষ্ঠা আৰু শৃংখলাবদ্ধভাৱে পালনৰ বাবে যি আহ্বান জনাইছে, সেই আহ্বানৰ প্ৰতি সঁহাৰি জনাই অসমৰ জনসাধাৰণেও শৃংখলাবদ্ধভাৱে, দৃঢ়তাৰে, সামাজিক দূৰত্ব বজাই ৰাখি পালন কৰিছে। লক্-ডাউনৰ পৰৱৰ্তী দিন কেইটাতো সকলোৱে যাতে নিজৰ ঘৰত আৱদ্ধ থাকি সামাজিক দূৰত্ব বজাই ৰাখে তাৰ বাবে মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। অসমৰ ৰাইজৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ জনসাধাৰণে শৃংখলাৱদ্ধভাৱে লক্-ডাউনৰ কাৰ্যসূচী

পালন কৰি আহিছে। মুখ্যমন্ত্ৰীয়ে কয় যে ডিমা হাছাও জিলাৰ জনসাধাৰণেও নিষ্ঠাৰে লক্-ডাউন কাৰ্যসূচী পালন আছে। মুখ্যমন্ত্ৰীয়ে কয় যে স্বাস্থ্য বিভাগৰ বিষয়া-কৰ্মচাৰীসকলে সন্মুখৰ পৰা নেতৃত্ব বহন কৰি সেৱাৰ মানসিকতাৰে কাম কৰি আহিছে। মুখ্যমন্ত্ৰীয়ে কয় যে স্বাস্থ্য বিভাগৰ লগতে আৰক্ষী, খাদ্য আৰু অসামৰিক যোগান বিভাগ, পৰিবহন, শক্তি ইত্যাদি বিভাগসমূহেও দিনে-নিশাই কামত ব্ৰতী হৈ আছে।

মুখ্যমন্ত্ৰীয়ে কয় যে ইতিমধ্যে অসমত কেইবাটাও ক'ভিড-১৯ পজিটিভ কেছ চিনাক্ত হৈছে যদিও ৰাইজক অযথা ভয় নাখাবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। অহা ১৪ এপ্ৰিললৈ লক্-ডাউন কাৰ্যসূচী পালন কৰিলে এই ৰোগৰ সংক্ৰমণৰ পৰা আমি ৰক্ষা পাম বুলি মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে কয় যে আজি জিলা প্ৰশাসন, স্বায়ত্ত শাসিত জিলা পৰিষদ আৰু বিধায়কসকলৰ সৈতে কৰ'না সংক্ৰমণ প্ৰতিৰোধ ব্যৱস্থাপনা সম্পৰ্কত পৰ্যালোচনা কৰা হয়। বিশুদ্ধ খোৱাপানী আৰু অত্যাৱশ্যকীয় সমগ্ৰী যাতে জনসাধাৰণে নিশ্চিত ৰূপত লাভ কৰে তাৰ বাবে জিলা প্ৰশাসনৰ লগতে সংশ্লিষ্ট পক্ষক নিৰ্দেশ দিয়া হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে সাংবাদিকসকলক ধন্যবাদ জ্ঞাপন কৰি কয় যে আমি সকলোৰে সহযোগিতাৰে ক'ভিড-১৯ ৰ বিৰুদ্ধে যুঁজ দি যাব পাৰিম।

ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে পশ্চিম কাৰ্বি আংলং জিলাত উপস্থিত হৈ কুঠেপি মডেল স্কুলত স্থাপন কৰা কোৱাৰেইনটাইন কেন্দ্ৰ পৰিদৰ্শন কৰে। পৰিদৰ্শনৰ সময়ত মুখ্যমন্ত্ৰীয়ে কোৱাৰেইনটাইন কেন্দ্ৰত থকা স্বাস্থ্য সেৱাৰ সুবিধাসমূহৰ বুজ লয়। ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে ডংকামোকামৰ ৰাইছুং ইঙোৰ ষ্টেডিয়ামৰ সভাকক্ষত জিলা প্ৰশাসন তথা অন্যান্য বিষয়াবৰ্গৰ সৈতে এক বৈঠকত মিলিত হয়। বৈঠকত কৰ'না সংক্ৰমণ প্ৰতিৰোধৰ বাবে পশ্চিম কাৰ্বি আংলং জিলা প্ৰশাসনে গ্ৰহণ কৰা ব্যৱস্থাৱলীৰ মুখ্যমন্ত্ৰীয়ে বুজ লয়। জিলাখনৰ উপায়ুক্তগৰাকীয়ে প্ৰশাসনে গ্ৰহণ কৰা পদক্ষেপ সমূহৰ বিষয়ে মুখ্যমন্ত্ৰীক অৱগত কৰে।

আজিৰ এই বৈঠকত পাৰ্বত্য অঞ্চল উন্নয়ন বিভাগৰ মন্ত্ৰী চুম ৰংহাং, কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং তথা স্বায়ত্ত শাসিত পৰিষদৰ অন্যান্য কাৰ্যবাহী সদস্য, কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ প্ৰধান সচিব সঞ্জীৱ কুমাৰ দাস, উপায়ুক্ত ইছফাকুৰ ৰহমান, আৰক্ষী অধীক্ষক ড° ৰমনদ্বীপ কৌৰ প্ৰমুখ্যে অন্যান্য উচ্চপদস্থ বিষয়াসকল উপস্থিত আছিল।

**পুঃডেঃ / বঃভাঃ**
**০৪/০৪/২০২০**